ৰাজহুৱা স্বাৰ্থজড়িত আবেদন (পি.আই.এল.) ৯৮/২০১৩

মাননীয় মুখ্য ন্যায়াধীশ (কৰ্মৰত) শ্ৰী কে. শ্ৰীধৰ ৰাও আৰু

মাননীয় ন্যায়াধীশ শ্ৰী পি.কে. শইকীয়াৰ আদালতত

(কে. শ্ৰীধৰ ৰাও, মুখ্য ন্যায়াধীশ (কৰ্মৰত)

অসমত বহুলভাবে প্ৰচলিত ডাইনী হত্যাৰ নিষ্ঠুৰ আৰু ক্ষতিকাৰক প্ৰথা বন্ধ কৰাৰ বাবে উপযুক্ত আইন সৃষ্টিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ কেনেধৰণৰ হ'ব, সেই বিষয়ে মহাধিবক্তাই স্মাৰকপত্ৰৰ সৈতে খচৰা বিধেয়কখনৰ প্ৰতিলিপি প্ৰদান কৰিছে। খচৰা বিধেয়কখনৰ প্ৰতিলিপি আবেদনকাৰী পক্ষৰ অধিবক্তালৈও প্ৰেৰণ কৰা হয়। অসমৰ মহাধিবক্তাই আগন্তুক বিধানসভাৰ অধিৱেশনৰ সময়ত কাৰ্যকৰী আইন প্ৰৱৰ্তনৰ বাবে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰিছে। ডাইনী হত্যাৰ বলি হোৱা লোকক সহায় কৰা বীৰুবালা ৰাভাক কিছু মাটি প্ৰদান কৰা হওক বুলিও ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখনত অনুৰোধ জনোৱা হৈছে। চৰকাৰে প্ৰথমে তেওঁক কিছু মাটি প্ৰদান কৰিছিল যদিও পিছত সেই মাটি বাতিল কৰি বিকল্প মাটি প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল, যিখিনি মাটিৰ অনুমোদন এতিয়াও জনোৱা হোৱা নাই। এই আৱেদনৰ জৰিয়তে বীৰুবালা ৰাভাক মাটি প্ৰদান কৰিবৰ বাবে প্ৰাৰ্থনা জনাইছে যদিও, সেইটো বিষয় পৃথকে চোৱা উচিত আৰু যদি বীৰুবালা ৰাভাৰ চৰকাৰৰ পৰা মাটি লাভ কৰাৰ কিবা বৈধ দাবী আছে, তেন্তে তেওঁ সেই বিষয়ে বেলেগ আবেদন দাখিল কৰা উচিত।

এই কথা বিবেচনা কৰি, অসমৰ মহাধিবক্তাই জুলাইৰ অধিৱেশনৰ ভিতৰত প্ৰয়োজনীয় আইন প্ৰণয়ন কৰা হ'ব বুলি প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ ভিত্তিত এই গোচৰটো শেষ কৰা হৈছে।